# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 10-11-2025
**Time :** 1340 hrs

ASSAMESE MIDDAY BULLETIN
## HEADLINES
**::::::::::::::::::**

১। বিত্ত আৰু কৰ্পৰেট পৰিক্ৰমা মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি নতুন দিল্লীত ২০২৬-২৭ বৰ্ষৰ বাবে কেন্দ্ৰীয় বাজেট সম্পৰ্কীয় এখন বৈঠকত অধ্যক্ষতা কৰে।

২। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি কমনৱেল্থ সংসদীয় সংস্থাৰ ২২ সংখ্যক বাৰ্ষিক সন্মিলনৰ নাগালেণ্ড বিধানসভাত আয়োজিত কাৰ্যসূচী উদ্বোধন কৰে।

৩। গৃহ তথা সমবায় মন্ত্ৰী অমিত শ্বাহে সমাজৰ প্ৰান্তীয় শ্ৰেণী তথা অভিলাষী যুৱচামৰ সৱলীকৰণৰ বাবে নগৰীয়া সমবায় বেংকসমূহক আগবাঢ়ি আহিবলৈ আহ্বান জনাইছে।

৪। বিহাৰ বিধানসভাৰ ১২২টা সমষ্টিত কাইলৈ হ'বলগীয়া দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। **আৰু**

৫। আমেৰিকা যুক্তৰাষ্ট্ৰৰ উচ্চ সদন চিনেটে জ্যেষ্ঠ কূটনীতিবিদ ছাৰ্জিঅ' গৰক নতুন দিল্লীস্থিত দেশখনৰ ৰাষ্ট্ৰদূত হিচাপে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে দিয়া নিযুক্তিত অনুমোদন জনাইছে।

০০০০০০

বিত্ত আৰু কৰ্পৰেট পৰিক্ৰমা মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি নতুন দিল্লীত ২০২৬-২৭ বৰ্ষৰ বাবে কেন্দ্ৰীয় বাজেট সম্পৰ্কীয় এখন বৈঠকত অধ্যক্ষতা কৰে। এই বৈঠকত দেশৰ কেইবাগৰাকীও আগশাৰীৰ অৰ্থনীতিবিদ উপস্থিত থাকে। বিত্ত মন্ত্ৰালয় আৰু অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ সচিব আৰু কেন্দ্ৰীয় চৰকাৰৰ মুখ্য অৰ্থনৈতিক উপদেষ্টাই বৈঠকত অংশ লৈ বাজেট সম্পৰ্কীয় গুৰুত্বপূৰ্ণ পৰামৰ্শ দিয়ে। এই প্ৰাক বাজেট পৰামৰ্শদান বৈঠক আজি দিনৰ ১০ বজাৰ পৰা ১২ বজালৈ অনুষ্ঠিত হয়। ইয়াৰ পাছতে দিনৰ ১ বজাৰ পৰা ৩ বজালৈ বিত্তমন্ত্ৰীগৰাকীয়ে কেইবাগৰাকীও কৃষি বিশেষজ্ঞ আৰু কৃষক সংস্থাৰ সৈতে বৈঠকত মিলিত হৈছে। উল্লেখযোগ্য যে প্ৰতিবছৰে কেন্দ্ৰীয় বাজেটৰ পূৰ্বে বিত্ত মন্ত্ৰালয়ে এনেধৰণৰ আলোচনাত মিলিত হয়। সংশ্লিষ্ট পক্ষসমূহৰ সৈতে আলোচনা কৰা তেওঁলোকৰ গুৰুত্বপূৰ্ণ পৰামৰ্শৰ ওপৰত ভিত্তি কৰি সকলো দিশ চালিজাৰি চাই চূড়ান্ত বাজেট প্ৰস্তুত কৰা হয়।

০০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি কমনৱেল্থ সংসদীয় সংস্থা চি পি এ-ৰ ২২ সংখ্যক বাৰ্ষিক সন্মিলনৰ কোহিমাৰ নাগালেণ্ড বিধানসভাত আয়োজিত তৃতীয় আঞ্চলিক মণ্ডলৰ কাৰ্যসূচী উদ্বোধন কৰে। উদ্বোধনী ভাষণত শ্ৰীবিৰলাই কয়, যে উত্তৰ-পূৰ্বাঞ্চল চহকী-সংস্কৃতি, বৈচিত্ৰ্য আৰু শক্তিশালী গণতান্ত্ৰিক প্ৰমূল্যৰ বাবে জনাজাত। তেওঁ কয়, যে এই অঞ্চলটোৱে সক্ৰিয় গণতান্ত্ৰিক ব্যৱস্থা তথা যোগাযোগ আন্তঃগাঁথনি আৰু বিভিন্ন ক্ষেত্ৰত সুযোগ বৃদ্ধিৰ দিশত অবিৰতভাৱে উন্নতি কৰিছে। লোকসভাৰ অধ্যক্ষগৰাকীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ বিধানসভাসমূহক তেওঁলোকৰ একতা আৰু আঞ্চলিক প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি তথা সৰ্বাত্মক বিকাশ আৰু উন্নয়নৰ লক্ষ্যৰে নীতি প্ৰণয়ন কৰাৰ বাবে প্ৰশংসা কৰে। তেওঁ

লগতে প্ৰযুক্তি আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰৰ দ্বাৰা প্ৰশাসনত স্বচ্ছতা আৰু দায়বদ্ধতা বৃদ্ধিৰে আঞ্চলিক উন্নয়ন আৰু ঔদ্যোগিক বিকাশ সুনিশ্চিকৰণৰ দিশত গুৰুত্ব দিয়ে। শ্ৰীবিৰলাই কয়, যে এই অঞ্চলটোৰ অধিকাংশ বিধানসভাৰ কাম-কাজ কাকতবিহীন হৈ উঠাৰ লগতে কেতবোৰ সু-অভ্যাসৰ বিনিময়ৰ ফলত বিধানসভাৰ কাম-কাজ কম পৰিমাণে বিঘ্নিত হোৱাৰ বাবে দৃষ্টান্তৰ সৃষ্টি হৈছে। এই অনুষ্ঠানত নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিউ ৰিঅ'ই নিজৰ ভাষণত বিধানসভাসমূহে সংসদীয় গণতন্ত্ৰ আৰু সহযোগিতামূলক যুক্তৰাষ্ট্ৰীয়বাদৰ আদৰ্শত আস্থা ৰখা উচিত বুলি উল্লেখ কৰে। চি পি এ-ৰ এই অনুষ্ঠানে উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্বাত্মক উন্নয়নৰ ক্ষেত্ৰত নীতি প্ৰণয়নৰ হকে উৎসাহিত কৰিব বুলিও তেওঁ উল্লেখ কৰে।

০০০০০০

গৃহ তথা সমবায় মন্ত্ৰী অমিত শ্বাহে সমাজৰ প্ৰান্তীয় শ্ৰেণী তথা অভিলাষী যুৱচামৰ সৱলীকৰণৰ বাবে নগৰীয়া সমবায় বেংকসমূহক আগবাঢ়ি আহিবলৈ আহ্বান জনাইছে। নতুন দিল্লীত আজি নগৰীয়া সমবায় ঋণ খণ্ড সন্দৰ্ভত আয়োজিত আন্তঃৰাষ্ট্ৰীয় সন্মিলন 'কো-অপ কুম্ভ ২০২৫' মুকলি কৰি তেওঁ কয়, যে ৰাষ্ট্ৰীয় নগৰীয়া সমবায় বেংক আৰু ঋণ সমিতি লিমিটেড ফেডাৰেচন, NAFCUB তথা নগৰীয়া সংস্থাসমূহে নীতি নিৰ্দেশনা জাৰি কৰা উচিত। এই নীতিসমূহৰ ওপৰত ভিত্তি কৰি সকলো নগৰীয়া সমবায় বেংকে বিত্তীয় আন্তঃগাঁথনিৰ শৈলী প্ৰস্তুত কৰা উচিত বুলি শ্ৰীশ্বাহে পৰামৰ্শ দিয়ে। সমাজৰ প্ৰান্তীয় শ্ৰেণীৰ সৱলীকৰণৰ সমান্তৰালকৈ সমবায় সমিতিসমূহক শক্তিশালী কৰি গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ২ লাখতকৈ অধিক জনসংখ্যা থকা প্ৰত্যেকখন চহৰত পৰৱৰ্তী ৫ বছৰৰ ভিতৰত একোটা নগৰীয়া সমবায় বেংক স্থাপন কৰাৰ লক্ষ্য লোৱা উচিত বুলি শ্ৰীশ্বাহে মত প্ৰকাশ কৰে। ইয়াৰ জৰিয়তে ২০৪৭ চনলৈ সমবায় খণ্ডই নতুন শিখৰ স্পৰ্শ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

নগৰীয়া সমবায় বেংক আৰু ঋণ সমিতিসমূহৰ ৰাষ্ট্ৰীয় ফেডাৰেচন তথা সমবায় মন্ত্ৰালয়ৰ যুটীয়া উদ্যোগত এই সন্মিলনখন দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। এই সন্মিলনৰ বিষয়বস্তু হৈছে- সপোনৰ ডিজিটেলাইজেচন - সম্প্ৰদায়সমূহৰ সৱলীকৰণ।

এই অনুষ্ঠানৰ জৰিয়তে সম্প্ৰদায়সমূহক সবল কৰি তুলিব বিচৰাৰ লগতে উমৈহতীয়া দৃষ্টিভংগী, উদ্ভাৱন তথা আলোচনাৰ জৰিয়তে দেশৰ বিত্তীয় অন্তৰ্ভুক্তিৰ সমবায় ভেটি শক্তিশালী কৰি তোলাৰ লক্ষ্য লোৱা হৈছে। এই অনুষ্ঠানত নীতি নিৰ্ধাৰক, সমবায় খণ্ডৰ কৰ্ণধাৰসকল আৰু গ্ৰীনষ্টন ফাৰ্ম ক্ৰেডিট ছাৰ্ভিচ তথা ঋণ সংস্থাসমূহৰ বিশ্ব পৰিষদ ৰ বিশেষজ্ঞসকলে অংশগ্ৰহণ কৰাৰ কথা। আন্তঃৰাষ্ট্ৰীয় সমবায় বৰ্ষ ২০২৫ৰ সৈতে সংগতি ৰাখি এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ এংগোলাৰ ৫০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত ভাগ ল'ব। শ্ৰীমতী মুৰ্মুৱে আজি এংগোলাৰ লোৱান্দাত নেচনেল এছেম্বলিৰ সাংসদসকলক উদ্দেশ্যি ভাষণ দিব। ৰাষ্ট্ৰপতিগৰাকীয়ে কালি এংগোলাৰ ৰাষ্ট্ৰপতি জোৱাও লৰেনকোইৰ সৈতে হোৱা আলোচনাত বিশ্বৰ সৰ্ববৃহৎ গণতান্ত্ৰিক দেশ হিচাপে ভাৰতে এংগোলাৰ সৈতে সংসদীয় সহযোগিতা বৃদ্ধি কৰাৰ আশা কৰিছে বুলি উল্লেখ কৰে। তেওঁ গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহে নিজৰ নিজৰ অভিজ্ঞতাসমূহ পাৰস্পৰিক বিনিময়ৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শ্ৰীমতী মুৰ্মুৱে কালি দেশখনৰ ৰাষ্ট্ৰপতি জোৱাও লৰেনকোইৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

শ্ৰীমতী মুৰ্মুৰে আজি দেশখনত বাস কৰা প্ৰবাসী ভাৰতীয়সকলৰ সৈতেও মতবিনিময় কৰিব। এংগোলাত ভাৰতীয় সমূদায়ৰ প্ৰায় আঠ হাজাৰ লোক আছে। দেশখনৰ বিভিন্ন খণ্ডত বিশেষকৈ আতিথ্য, কৃষি, ভেষজ, খুচুৰা বজাৰ, প্লাষ্টিক, ধাতু আৰু হীৰা আদিৰ ক্ষেত্ৰত প্ৰায় ২০০ ভাৰতীয় কোম্পানী নিয়োজিত হৈ আছে।

উল্লেখযোগ্য যে, যোৱা শনিবাৰে দ্বিদেশীয় ভ্ৰমণসূচীৰে ৰাওনা হোৱা ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত বটছোৱানালৈ যাব। শ্ৰীমতী মুৰ্মুৰে বটছোৱানাৰা ৰাষ্ট্ৰপতি ডুমা বকোৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

এই আফ্ৰিকীয় দেশ দুখনলৈ ভ্ৰমণ কৰা শ্ৰীমতী মুৰ্মু হৈছে প্ৰথমগৰাকী ভাৰতীয় ৰাষ্ট্ৰপতি। ভাৰতে গোলকীয় দক্ষিণত শক্তিশালী অংশীদাৰিত্ব প্ৰতিষ্ঠাৰ ক্ষেত্ৰত এই ভ্ৰমণে অৰিহণা যোগাব বুলি আশা কৰা হৈছে।

০০০০০০

বিহাৰ বিধানসভাৰ ১২২টা সমষ্টিত কাইলৈ হ'বলগীয়া দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। নিৰ্বাচন আয়োগে এই নিৰ্বাচন শান্তিপূৰ্ণ, স্বচ্ছ আৰু নিকাকৈ অনুষ্ঠিত কৰাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। কাইলৈ অন্তিম পৰ্যায়ত ৰাজ্যখনৰ ২০খন জিলাত ৩ কোটি ৭০ লাখৰো অধিক ভোটদাতাই এহেজাৰ ৩০২ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ইয়াৰ ভিতৰত ১৩৪ গৰাকী মহিলা প্ৰাৰ্থীও আছে। পুৱা ৭ বজাত ভোটগ্ৰহণ আৰম্ভ হ'ব আৰু সন্ধিয়া ৬ বজাত সামৰণি পৰিব। অৱশ্যে ৭টা সমষ্টিত নিৰাপত্তা সম্পৰ্কীয় বিষয়ৰ বাবে বিয়লি ৫ বজাত ভোটগ্ৰহণ সমাপ্ত হ'ব। এই পৰ্যায়ত ভাৰত-নেপাল সীমান্তৰ সমষ্টিসমূহৰ লগতে মগধ, ক'চি, মিথিলাঞ্চল, সীমাঞ্চল আদিত ভোটগ্ৰহণ কৰা হ'ব। পূব আৰু পশ্চিম চম্পাৰণ জিলাৰ লগতে মধুবনী, সীতামৰ্হি, ছুপাৱল, কিষাণগঞ্জ, পুৰ্ণিয়া, কাটিহাৰ, ভগলপুৰ, গয়া, ঔৰাংগাবাদকে ধৰি জিলাসমূহত ভোটগ্ৰহণ নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। কাইলৈ ৪৫ হাজাৰ ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই সমগ্ৰ প্ৰক্ৰিয়া ৱেবকাষ্টিং কৰা হ'ব। নিৰ্বাচন আয়োগে পাটনাৰ মুখ্য নিৰ্বাচনী কাৰ্যালয়ত বিশেষ নিয়ন্ত্ৰণ আৰু নিৰ্দেশনা কক্ষ স্থাপন কৰিছে। অনুৰূপ নিয়ন্ত্ৰণ কক্ষ ভোটগ্ৰহণ হ'বলগীয়া ২০ খন জিলাত স্থাপন কৰা হৈছে। মহিলা সৱলীকৰণৰ লক্ষ্যৰে ৫৯৫ খন ভোটকেন্দ্ৰ কেৱল মহিলা বিষয়া কৰ্মীৰ দ্বাৰা পৰিচালিত হ'ব। একেদৰে ২১টা কেন্দ্ৰ বিশেষভাৱে সক্ষম বিষয়া-কৰ্মচাৰীৰ দ্বাৰা পৰিচালিত কৰা হ'ব। ৩১৬টা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। প্ৰায়বোৰ সমষ্টিতে এন ডি এ আৰু মহামিত্ৰজোঁটৰ প্ৰাৰ্থীৰ মাজত প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে বুলি আকাশবাণীৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

ৰাজ্যখনত যোৱা ছয় নৱেম্বৰত অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত প্ৰায় ৬৫ শতাংশ ভোটদাতাই ভোটদান কৰে। অহা ১৪ নৱেম্বৰত ভোট গণনা কৰা হ'ব।

০০০০০০

সাতখন ৰাজ্যৰ ৮টা বিধানসভা সমষ্টিৰ বাবে কাইলৈ উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। উপ-নিৰ্বাচন হ'বলগীয়া সমষ্টিকেইটা হৈছে- জম্মু-কাশ্মীৰৰ বুদগাম আৰু নাগ্ৰোতা, ৰাজস্থানৰ আন্তা, ঝাৰখণ্ডৰ ঘাটছিলা, তেলেংগানাৰ জুবিলি হিলছ, পাঞ্জাবৰ তাৰ্ন তাৰান, মিজোৰামৰ দাম্পা আৰু ওড়িশাৰ নোৱাপাড়া সমষ্টি। বিহাৰ বিধানসভা নিৰ্বাচনৰ সমান্তৰালভাৱে অহা ১৪ নৱেম্বৰত এই সমষ্টিকেইটাৰ ভোটগণনা কৰা হ'ব।

০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ উচ্চ সদন চিনেটে জ্যেষ্ঠ কূটনীতিবিদ ছাৰ্জিঅ’ গৰক নতুন দিল্লীস্থিত দেশখনৰ ৰাষ্ট্ৰদূত হিচাপে ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পে দিয়া নিযুক্তিত অনুমোদন জনাইছে। তেওঁ অচিৰেই নতুন দিল্লীৰ মাৰ্কিন দূতাবাসত কাৰ্যভাৰ গ্ৰহণ কৰিব। উল্লেখযোগ্য যে ৩৮ বছৰীয়া ছাৰ্জিঅ’ গৰ হৈছে ভাৰতত ৰাষ্ট্ৰদূত হিচাপে নিযুক্তি লাভ কৰা কনিষ্ঠতম মাৰ্কিন কূটনীতিবিদ। গৰৰ লগতে দূতাবাসত নিযুক্তি লাভ কৰা আন কূটনীতিবিদ আৰু বিষয়াসকলেও ভাৰতৰ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ ওচৰত আনুষ্ঠানিকভাৱে তেওঁলোকৰ পৰিচয় পত্ৰ প্ৰদান কৰিব।

০০০০০০

**সমাপ্ত**